**লক্ষ্মীনাথ ফুকন ঃ**

অসমীয়া আলোচনীৰ পয়োভৰৰ সময়ত ১৯১০ ৰ পৰা ১৯১৭ চনলৈ চলা 'আলোচনী'ৰ পাততে পোন প্ৰথম আত্মপ্ৰকাশ কৰা লক্ষ্মীনাথ ফুকন পৰৱৰ্তী আৱাহন যুগৰ এগৰাকী বিশিষ্ট লেখক হিচাপে পৰিগণিত হৈছিল। আলোচনীত প্ৰকাশ পোৱা ফুকনৰ গল্পকেইটা লেখকগৰাকীৰ কোমল বয়সৰ ৰচনা। সেইবাবে কোমল বয়সৰ অপৰিপক্ক জ্ঞানৰ স্বাক্ষৰ আটাইকেইটা গল্পতে লক্ষ্য কৰা যায়। ১৯১৮ চনতে প্ৰকাশ পোৱা ছটা গল্পৰ সংকলন 'মালা'ৰ মাজেদি আত্মপ্ৰকাশ কৰা ফুকনৰ প্ৰতিভা বিকাশ হৈছিল 'ওফাইডাং' আৰু 'মৰমৰ মাধুৰী' নামৰ সংকলন দুটাৰ গল্পসমূহৰ মাজেদি। এই দুয়োখন সংকলনৰ গল্পমুঠি আৱাহন যুগৰ ৰচনা। ফুকনৰ গল্পসমূহৰ বিষয়-বস্তু আৰু দৃষ্টিভঙ্গী বহু বৰ্ণময় নহয়; একসুৰীয়া। গতিকে ফুকনৰ কেইটামান গল্প আলোচনা কৰিলেই লেখকগৰাকীৰ প্ৰতিভাৰ পৰিচয় পোৱা যাব।

লক্ষ্মীনাথ ফুকনৰ গল্পসমূহৰ ভিতৰত 'মেধি' এটা সুখপাঠ্য গল্প। সত্ৰৰ মেধিৰ বাব খোৱা সৰলচিতীয়া এজন মানুহৰ হৃদয়ৰ কোমলতা, স্বভাৱৰ সৰলতা আৰু আপোনভোলা চৰিত্ৰই 'মেধি' গল্পৰ বিষয়-বস্তু। আউনীআটী সত্ৰৰ মেধি বাব পোৱাৰ পিছৰ পৰা বলোৰামক আটায়ে মেধি বুলিয়ে মাতিবলৈ ল'লে আৰু মেধি বাব যোৱাৰ

Scanned with CamScanner

পিছতো বলোৰাম আটাইৰে বাবে মেধি হৈ ৰ'ল।

মেধি গল্পৰ সৌন্দৰ্য দুটা দিশত। প্ৰথমটো হ'ল চৰিত্ৰৰ স্বচ্ছতা আৰু দ্বিতীয়টো দিশ হ'ল গল্পটোৰ সাৱলীল ভাষাৰ চিত্ৰধৰ্মী বৰ্ণনা।

গল্পটোৰ মূল চৰিত্ৰ মেধিৰ হৃদয় বৃত্তি অতি সৰল। তেওঁক দেখিলেই "মেধি ঔ মেধি কুকুৰে নিলে খেদি, মেধি পৰিল খালত কুকুৰে কামুৰিলে গালত" বুলি ল'ৰাবোৰে জোকায়। এচাম ল'ৰা ডাঙৰ-দীঘল হৈ জোকাবলৈ এৰে; আকৌ পিছৰ চামে জোকায়। মেধিয়ে ল'ৰাহঁতক দলিটো, ফৰ্মু টিটো মাৰো যেন কৰি টোঁৱায়; কিন্তু মাৰি নপঠায়। কাৰণ মেধিৰ কোমল অন্তৰ এখন আছে। সেয়ে তেওঁ জোকোৱা ল'ৰাক মাৰ-কিল কৰা দূৰৰ কথা, জোকোৱা ল'ৰাক মাক-দেউতাকহঁতে মাৰ-কিল কৰিলেও মেধিয়ে গৈ ইস্ ইস্ আচ্-আচ্ কৰি বাৰণ কৰেগৈ।

মেধি গল্পৰ বিষয়-বস্তু বহুল পৰিসৰৰ আৰু সেইবাবে অনেক ঘটনাৰ গ্ৰন্থন হৈছে গল্পটোত। অৱশ্যে এই একাধিক ঘটনা মেধিৰ চৰিত্ৰৰ বহুবৰ্ণময় ৰূপ প্ৰকাশ কৰাৰ উদ্দেশ্যতে কেন্দ্ৰ কৰি গঢ় লৈছে। গল্পটোত কোৱা হৈছে যে, মেধি আৰু মেধিয়নীৰ বয়সৰ পাৰ্থক্য বৰ বেছি। সেয়ে মেধি বুঢ়া হৈ পৰাৰ সময়ত মেধিয়নীৰ যৌৱনৰ ভৰপক হৈছিলহে, এনে কাৰণতে দূৰণিৰ পৰা আহি মেধিৰ ঘৰৰ কাষৰ মাইনৰ স্কুলত হেডমাষ্টৰ ৰূপে কাম কৰা অৱনী বৰঠাকুৰৰ লগত মেধিয়নীৰ গোপন প্ৰণয় গঢ় লৈ উঠে। এই গোপন কথাৰ সম্ভেদ পালে অৱনী বৰঠাকুৰৰ পত্নীয়ে; কিন্তু মেধিয়ে ইয়াৰ উমান নাপালে। পাবৰ প্ৰয়োজনো বোধ নকৰে মেধিয়ে। কাৰণ মেধি সকলো কথাতে নিৰ্বিকাৰ — উদাৰ। বৰঠাকুৰৰ পত্নীয়ে স্বামীৰ গোপন প্ৰণয়ৰ কথা জানি ওপৰত লাগি মেলি স্বামীক অন্য ঠাইলৈ বদলি কৰি নিয়াই গোপন প্ৰণয়ৰ মুদা মাৰিলে। এই ঘটনাংশ গল্পটোত অপাংক্তেয়। মাত্ৰ মেধিৰ চৰিত্ৰৰ ঔদাসীন্য প্ৰকাশ কৰাৰ ক্ষেত্ৰত ইয়াৰ সামান্য যোগসূত্ৰতা এটা আছে।

গল্পটোত আৰু এটা ঘটনাৰ সংযোগ কৰি মেধিৰ চৰিত্ৰৰ বদান্যতা প্ৰদৰ্শন কৰা হৈছে। ছাল-বেৰ উঁৱলি জহি-খহি যাব ধৰা নিজ ঘৰটো মেৰামতি কৰোঁতে বেৰৰ খবুৱাৰ তলতে ঘঁট এটাত চিকা ৰূপ ডেৰশ পালে। দাৰিদ্ৰপীড়িত ঘৰখনৰ বাবে এই ডেৰশ টকা পৰম সৌভাগ্য। মেধিয়নীয়ে নিজে আৰু মেধিৰ বাবেও এজোৰ কাপোৰ লোৱাৰ কথা ভাবিলে। কিন্তু বিনন্দী কাকতী নামৰ ক্ষমতালোভী সমাজকৰ্মী এজনে গাঁৱতে হাইস্কুল এখন খুলি কাম আৰম্ভ কৰাৰ কথা গম পাই মেধিয়ে উপযাচি গৈ কাকতিক এশ চিকাৰূপ দান দি আহিলগৈ। মেধি কেনে আপোন ভোলা, কেনে উদাৰ আৰু কেনে বৈৰাগ্য স্বভাৱৰ মানুহ তাকে দেখুৱাবৰ কাৰণেই যেন এই অংশ ঘটনাৰ সংযোজন।

মেধি গল্পটোত তিনিটা বিক্ষিপ্ত ঘটনাৰ সংযোজন ঘটিছে আৰু এই তিনিওটা ঘটনাৰ উদ্দেশ্য হৈছে মেধিৰ চৰিত্ৰৰ বৈচিত্ৰ্য প্ৰকাশ।

মেধিৰ চৰিত্ৰৰ বিচিত্ৰতা প্ৰকাশক তৃতীয় ঘটনাটো কেৱল আমোদজনকেই নহয়; অতি সংবেদনশীলো। তৃতীয় ঘটনাটোত গাঁৱৰে মুহীধৰ নামৰ এটা ল'ৰাৰ বাপেকী বৰলা

মানুহ এজনৰ লগত মেধিয়নীৰ গোপন প্ৰণয় গঢ় লৈ উঠিল। আনকি মেধিৰ সৰলতাৰ সুযোগ লৈ মেধিৰ অজ্ঞাতে মেধিয়নী মুহীধৰলৈ গুচি গ'ল। এইষাৰ কথা জনাৰ পিছতো মেধিৰ কোনো প্ৰকাৰ খেদ নহ'ল। বৰং গোপালে ঘটনাটোৰ আঁত নাপাই জানিব বিচৰাত মেধিয়ে নিৰ্বিকাৰভাৱে ক'লে — "কথাটো কি? তাকো আৰু নুবুজিলি নে? খুৰীয়েৰ মুহীধৰলৈ গ'ল। মোক এৰিলে।" — মেধিৰ মুখৰ এইষাৰ কথা দেখাত সহজ; কিন্তু অতি মৰ্মন্তুদ আৰু গভীৰ সংবেদনশীলতাৰে ভৰা। পত্নীৰ এনে কাৰ্যত যিকোনো এজন স্বামীয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলেহেঁতেন। মেধি কিন্তু ব্যতিক্ৰম। আনকি যি আঢ়ৈকুৰি টকা মেধিয়নীৰ ৰিহা-মেখেলা এযোৰ ল'বৰ বাবে সাঁচি থৈছিল; সেই আঢ়ৈকুৰি ৰূপো গোপালক দি ক'লে — "তই যা, এতিয়াই দি আহ গৈ। খুৰীয়েৰক কবি, ৰিহা-মেখেলা ল'বৰ কাৰণে এই ৰূপ আঢ়ৈকুৰি, খুৰীয়েৰে কি কৰে কৰিব।"

এই তিনিটা ঘটনাৰ মাজেদি মেধিৰ চৰিত্ৰৰ বৈচিত্ৰ্য প্ৰদৰ্শন কৰাৰ উপৰিও মেধিয়নীৰ চৰিত্ৰৰো মনস্তাত্ত্বিক বিশ্লেষণ কৰা হৈছে। মেধিয়নী মেধিৰ বয়সৰ তুলনাত বহুত সৰু। তাতে তেওঁলোক সন্তানহীন। সেয়ে মেধিয়নীয়ে মেধিক এৰি গুচি গ'ল। "সন্তানৰ মাজেদি নাৰীয়ে পায় মুক্তিৰ আনন্দ। ফুলে নিজৰ জীৱন বলি দি ফলৰ সৃষ্টি কৰে। ফুলৰ জীৱনৰ মুক্তি যিদৰে ফলত, নাৰীৰ জীৱনৰ মুক্তিও সেইদৰে সন্তানত।"[৪] সন্তানৰ মাতৃ হোৱাৰ দুৰ্বাৰ আকাংক্ষাৰ বাবেই মেধিয়নীয়ে মেধিক এৰি মুহীধৰলৈ গুচি যোৱা ঘটনাটোৰ মাজেদি নাৰী মনস্তত্ত্বৰ ব্যাখ্যা এটাও দিবলৈ যত্ন কৰা হৈছে।

মেধি গল্পত চৰিত্ৰৰ উজ্জ্বলতাৰ উপৰিও পাৰিৱেশিক চিত্ৰৰ বাস্তৱধৰ্মিতাও আছে! গ্ৰাম্য কৃষক সমাজৰ জীৱন্ত ছবিখন আৰু এই ছবিৰ উপযোগী গ্ৰাম্য পৰিৱেশত অতি নিখুঁতভাৱে চিত্ৰিত হৈছে। মুঠতে সফল চৰিত্ৰাংকন, বিষয়-বস্তু অনুসৰি পৰিৱেশ সৃষ্টি, সৰল বাক্‌ভংগী আৰু পৰিণতিমুখী উৎকণ্ঠাৰ বাবে মেধি লক্ষ্মীনাথ ফুকনৰ গল্পসমূহৰ ভিতৰত এটা উপাদেয় গল্প। অৱশ্যে ক'বই লাগিব যে, গল্পটোত একাধিক ঘটনাৰ বিক্ষিপ্ততাই বিষয়-বস্তুৰ ঐক্য বিনষ্ট কৰাৰ বাবে চুটি গল্পৰ আংগিকগত দোষ আছে। অথচ লেখকগৰাকীৰ বাক্‌ভংগীৰ স্বচ্ছতা, বৰ্ণনাভংগীৰ সাৱলীলতা, ভাষাৰ বুদ্ধিদীপ্ততা আৰু চৰিত্ৰৰ আভ্যন্তৰ জগতত প্ৰৱেশ কৰি সংবেদনশীলতাৰে চৰিত্ৰ নিৰ্মাণ কৰিব পৰা দক্ষতাৰ বাবেই মেধি গল্পৰ শিল্পমূল্য ৰক্ষা হৈছে।

লক্ষ্মীনাথ ফুকনৰ গল্পসমূহৰ ভিতৰত **'টাইপিষ্টৰ জীৱন'** এটা লেখত ল'বলগীয়া গল্প। মানিক শইকীয়া নামৰ বয়সীয়া এজন টাইপিষ্টৰ কৰ্মনিষ্ঠা আৰু সততা; তাৰ বিপৰীতে কামত ফাকি দিয়া সততাহীন কেৰেণীৰ শ্ৰেণী চৰিত্ৰ আৰু মানৱীয় হৃদয়হীন ব্যক্তিকেন্দ্ৰী মেনেজাৰৰ দৰে শ্ৰেণী চৰিত্ৰই নিৰ্মাণ কৰা এখন কলুষিত সমাজচিত্ৰই 'টাইপিষ্টৰ জীৱন' গল্পৰ বিষয়-বস্তু। ফুকনৰ মেধি আৰু অন্যান্য গল্পত বিষয়-বস্তুৰ যি ব্যাপ্তি আৰু বিক্ষিপ্ততা

৪. শীল, বৈদ্যনাথ ঃ ৰবীন্দ্ৰ কাব্যে নাৰী, পৃঃ ২১

Scanned with CamScanner

দেখা যায়; 'টাইপিষ্টৰ জীৱন' গল্পত তেনে বিক্ষিপ্ততা দেখা নাযায়। ফুকনৰ অন্যান্য গল্পৰ ভিতৰত বিষয়-বস্তুৰ ঐক্যসূত্ৰতা তথা গ্ৰন্থণ পদ্ধতিৰ দিশত টাইপিষ্টৰ জীৱন গল্পটো সুসংগত আৰু কলাগুণসম্পন্ন।

গল্পটোৰ আৰম্ভণিৰ মূল চৰিত্ৰ মানিক শইকীয়াৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ আভাস দিয়াৰ পিছত চৌধুৰী ব্ৰাদাৰ্ছ কোম্পানীৰ চাকৰিয়াল হিচাপে মানিক শইকীয়াৰ চাকৰি জীৱনৰ করুণ কাহিনী বৰ্ণিত হৈছে আৰু ইয়ে গল্পটোৰ বিষয়-বস্তু। এই বিষয়-বস্তুকে গল্পৰূপ দিওঁতে গল্পকাৰ ফুকনে তেওঁৰ আনবোৰ গল্পৰ তুলনাত এইটো গল্পত যথেষ্ট সংযমৰ পৰিচয় দিব পাৰিছে। এনে কাৰণতে টাইপিষ্টৰ জীৱন গল্পৰ সম্পৰ্কত হোমেন বৰগোহাঞিদেৱে সঠিকভাৱে মন্তব্য কৰি কৈছে— "কেৰেণীৰ জীৱনক কেন্দ্ৰ কৰি অসমীয়া ভাষাত বহুতো গল্প লেখা হৈছে; সেইবোৰৰ ভিতৰত লক্ষ্মীনাথ ফুকনৰ গল্পটো নিজস্ব বৈশিষ্ট্যৰে সমুজ্জ্বল।"[৫]

আৱাহন যুগৰগল্পকাৰ সকলৰ ভিতৰত লক্ষ্মীনাথ ফুকনৰ গল্পত সমাজ সমালোচনা অতি প্ৰখৰ অথচ পোনপটীয়া নহয়। টাইপিষ্টৰ জীৱন গল্পত মানিক শইকীয়াৰ দৰে সৎ, সাধু আৰু নিষ্ঠাবান কৰ্মীৰপৰা ভোগ আৰু বিলাসত মতলীয়া বিত্তবান শ্ৰেণীটোৱে কামহে আদায় কৰিব খোজে; কিন্তু মানিক শইকীয়াৰ দৰে সৎ মানুহৰ দুখ-যন্ত্ৰণা অনুভৱ কৰিব নোৱাৰে। সেয়ে তিনিবছৰৰ ভিতৰত মাত্ৰ দহদিন ছুটী লৈ নিষ্ঠাৰে সেৱা আগবঢ়োৱা মানিক শইকীয়া চিকিৎসাৰ অভাৱত টাইফয়েড ৰোগত ভুগি মৰিল। সমাজৰ বিত্তবান শ্ৰেণীটোৰ অন্তঃসাৰশূন্য মানসিকতা আৰু ভণ্ডামিৰ স্বৰূপ উদঙাই দেখুওৱা হৈছে গল্পটোৰ মাজেদি। বেমাৰত ভুগি থকা কালত সামান্য টকা কেইটামানো সৰি নপৰিল; কিন্তু মৰাৰ পিছত ফুলৰ মালা পঠাই মেনেজাৰজনে বহল মনৰ পৰিচয় দেখুৱাবলৈ গ'ল। আনকি অফিছত শোকসভা পাতি শোক প্ৰস্তাৱ লৈ চূড়ান্ত ভণ্ডামি দেখুৱালে। সিমানতো ক্ষান্ত নাথাকি মানিক শইকীয়াৰ ফটো এখন আঁৰি থৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিলে।

গল্পটোত সমাজ ব্যৱস্থাৰ তীব্ৰ ব্যঙ্গ কৰা হৈছে আৰু বৰ্তমান সমাজৰ অন্তঃসাৰশূন্য বিত্তবান শ্ৰেণীটোৰ ভণ্ডামিক তীব্ৰভাষাৰে ব্যঙ্গ কৰা হৈছে। এই প্ৰসঙ্গতে হোমেন বৰগোহাঞিদেৱে কৈছে — "গল্পটোৰ মূল বক্তব্য এজন দৰিদ্ৰ হতভাগ্য কেৰাণীৰ জীৱনৰ করুণ ট্ৰেজেডী নহয়; আচল বক্তব্য হ'ল এক নিৰ্দয় অন্তঃসাৰ শূন্য সমাজ ব্যৱস্থাৰ স্বৰূপ উন্মোচন।"[৬] সমাজৰ কলুষিত চৰিত্ৰৰ শ্ৰেণীটোৰ প্ৰতি লক্ষ্মীনাথ ফুকনৰ ব্যঙ্গ দৃষ্টি সম্পৰ্কে বৰগোহাঞিয়ে কৈছে — "লক্ষ্মীনাথ ফুকনৰ মৰ্মভেদী ব্যঙ্গ বাণৰ লক্ষ্য হ'ল এনে এক আত্ম প্ৰতাৰক দুশ্চৰিত্ৰ সমাজ যি সমাজে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে কিছুমান মানুহক

৫. বৰগোহাঞি, হোমেন ঃ অসমীয়া গল্প সংকলন, প্ৰথম খণ্ড, পৃঃ ৯৭
৬. বৰগোহাঞি, হোমেন ঃ অসমীয়া গল্প সংকলন, প্ৰথম খণ্ড, পৃঃ ৯৭

নিৰ্দয়ভাৱে শোষণ কৰে, কিন্তু লগতে নিজৰ অপৰাধী বিবেকৰ প্ৰক্ষালনৰ কাৰণে আন্তৰিকতাশূন্য বাহ্যিক ক্ৰিয়াকাণ্ডৰ উদ্ভাৱন কৰে।"[৭]

ওপৰৰ আলোচনাৰপৰা স্পষ্ট হৈ পৰিছে যে, লক্ষ্মীনাথ ফুকনৰ সমাজৰ কলুষিত দিশৰ প্ৰতি দৃষ্টিভঙ্গী ব্যঙ্গাত্মক। কিন্তু গল্পটোৰ সৌন্দৰ্য এইখিনিতেই যে, গল্পটোত লেখকৰ বক্তব্য পোনপটীয়া নহয়; কথনভঙ্গীৰ শিল্পচাতুৰ্যৰে ভাব-বস্তুক স্পষ্ট কৰি তোলা হৈছে।

চৰিত্ৰৰ বৈচিত্ৰ্য প্ৰকাশৰ দিশতো লক্ষ্মীনাথ ফুকনৰ আনবোৰ গল্পৰ তুলনাত টাইপিষ্টৰ জীৱন গল্পটো সাৰ্থক গল্প। মানিক শইকীয়া এটা সহজ-সৰল টাইপ চৰিত্ৰ হিচাপে চৰিত্ৰটোৱে নিজৰ চাৰিত্ৰিক সাধুতাৰে পাঠকৰ হৃদয় স্পৰ্শ কৰে। সেইদৰে তাৰ বিপৰীতে মেনেজাৰ চৰিত্ৰৰ মাজেদি সমাজৰ বৰমূৰীয়াসকলৰ অন্তঃসাৰশূন্যতা আৰু চূড়ান্ত ভণ্ডামি প্ৰকাশ কৰা হৈছে। তদুপৰি বৰ কেৰাণী চৰিত্ৰৰ মাজেদি বৰ্তমান ঘূণে ধৰা সমাজৰ অসৎ চাকৰিয়াল শ্ৰেণীটোৰ চৰিত্ৰ পোহৰলৈ অনা হৈছে। ভোগবাদী আত্মকেন্দ্ৰী বিত্তবান শ্ৰেণীটোৰ স্বাৰ্থত আঘাত লাগিলেই সৎকথা কোৱা মানুহৰ অৱস্থা কি শোকাৱহ হ'ব পাৰে, তাৰ উদাহৰণ হ'ল অজিতৰ চৰিত্ৰ। চৌধুৰী ব্ৰাদাৰ্ছ কোম্পানীয়ে বছৰি প্ৰচুৰ ধন উপাৰ্জন কৰে; কিন্তু সাধাৰণ কৰ্মচাৰীসকলক নাম মাত্ৰ দৰমহা দি শোষণ কৰে। কৰ্মচাৰীসকলে সংঘবদ্ধ হৈ তেওঁলোকৰ দৰমহা মাহে পঁচিশ টকা বঢ়াব লাগে বুলি আৰু তেওঁলোকৰ এটা ফাণ্ড খুলিব লাগে বুলি আবেদন কৰা কাৰ্যত অজিতে আগভাগ লোৱাৰ বাবেই মেনেজাৰে নটিশ দি অজিতৰ চাকৰিটো শেষ কৰি পেলালে। মুঠতে গল্পটোত বিভিন্ন শ্ৰেণী চৰিত্ৰ চিত্ৰিত কৰা হৈছে। প্ৰতিটো চৰিত্ৰই সজীৱ আৰু সক্ৰিয়। সংক্ষেপতে ক'বলৈ গ'লে বিষয়-বস্তুৰ ঐক্যকেন্দ্ৰিকতা, ভাব-বস্তুৰ শিল্পগত প্ৰকাশ, চৰিত্ৰৰ সজীৱতা, বাক্‌ভঙ্গীৰ চাৰুতা আৰু সামগ্ৰিকভাৱে টেকনিকৰ কৌশলৰ বাবে লক্ষ্মীনাথ ফুকনৰ টাইপিষ্টৰ জীৱন গল্পটো আৱাহন যুগৰ গল্পৰ ভিতৰত শ্ৰেষ্ঠ গল্প।

Scanned with CamScanner